# Newsletter

Issue : AGPNL/October/2014/01

*Published in Amar Axom dated 27/09/2014*

## প্ৰথম কলম

হোমেন বৰগোহাঞি

## অগপৰ পুনৰুত্থান সম্ভৱনে ?

অগপৰ পুনৰুত্থান সম্ভৱতো হয়েই, ঠিক এই মুহূৰ্তত ই অতিশয় বাঞ্ছনীয়ও।

বাঞ্ছনীয় কিয়, সেই কথাটোকে প্ৰথমে কৈ লোৱা যাওক।

সম্প্ৰতি অসমত এটা ৰাজনৈতিক শূন্যতা বিৰাজ কৰিছে বা কৰিবলৈ আৰম্ভ কৰিছে। ৰাজনৈতিক শক্তি হিচাপে কংগ্ৰেছ সমগ্ৰ দেশতে এটা ধ্বংসস্তূপত পৰিণত হৈছে। অহা পোন্ধৰ বা কুৰি বছৰলৈ কংগ্ৰেছে কঁকাল পোনাব পৰাৰ কোনো আশা নাই। যি পৰিয়াল-তান্ত্ৰিক ৰাজনীতিয়ে কংগ্ৰেছক ধ্বংস কৰিলে সেই পৰিয়ালটোৰ ত্ৰি-মূৰ্তিক অপসাৰিত কৰিবলৈ বা তেওঁলোকৰ বিকল্প নেতৃত্ব সৃষ্টি কৰিবলৈ সমগ্ৰ দেশতে কংগ্ৰেছৰ কোনো এজন নেতা নাই; আছে মাত্ৰ এক বিৰাট মোচাহেব-বাহিনী। অসমত কংগ্ৰেছৰ অৱস্থা ততোধিক শোচনীয়। *৮ পৃষ্ঠাত*

## প্ৰথম পৃষ্ঠাৰ পৰা

## অগপৰ পুনৰুত্থান সম্ভৱনে ?

তৰুণ গগৈয়ে তেওঁৰ তৃতীয়টো কাৰ্যকালত ৰাইজৰ আস্থা সম্পূৰ্ণ হেৰুৱাই পেলোৱাই নহয়, তেওঁ সকলোৰে ব্যংগ-বিদ্ৰূপ আৰু হাঁহিয়াতৰ পাত্ৰ হ'ল। তেওঁৰ মন্ত্ৰীসকলৰ ব্যক্তিত্ব আৰু দক্ষতা ইমানেই নিম্নমানৰ যে আজি অসমত মন্ত্ৰীসভাখনৰ অস্তিত্ব কোনেও অনুভৱ নকৰা হ'ল। দলৰ অৱস্থাও তথৈবচ। যদিহে কিবাকিবি নেতিবাচক কাৰণত বা শক্তিশালী প্ৰত্যাহ্বানৰ অভাৱত কংগ্ৰেছেই ২০১৬ চনৰ নিৰ্বাচনত কাণে কাণ মাৰি হ'লেও চৰকাৰ গঠন কৰিব পৰাৰ পৰিস্থিতিৰ সৃষ্টি হয়, তেন্তে অসমৰ কাৰণে তাতকৈ ডাঙৰ দুৰ্ভাগ্য কল্পনা কৰাও অসম্ভৱ। সমগ্ৰ অসমবাসীৰ অস্তিত্ব আজি অভূতপূৰ্ব সংকটৰ সন্মুখীন হৈছে। সেই সংকটৰ এটা প্ৰধান কাৰণ হ'ল অসমত কংগ্ৰেছৰ যোৱা তেৰ বছৰৰ অপশাসন।

সমগ্ৰ দেশত আজি ভাৰতীয় জনতা পাৰ্টীৰ চমকপ্ৰদ উত্থান ঘটিছে। সেই সাফল্যৰ ভাগ কিছু পৰিমাণে ভাজপাৰ অসম শাখায়ো পাইছে। মই ব্যক্তিগতভাৱে বিশ্বাস কৰোঁ যে অহা দহ বছৰলৈ কেন্দ্ৰত ভাজপাক কোনেও ক্ষমতাচ্যুত কৰিব নোৱাৰে। কিন্তু ঘাইকৈ দুটা কাৰণত অসমত ভাজপাৰ ভৱিষ্যৎ উজ্জ্বল বুলি স্বতঃসিদ্ধভাৱে ধৰি ল'ব নোৱাৰি। প্ৰধান কাৰণটো হ'ল এই যে অসমৰ জনগাঁথনি ভাজপাৰ সমৰ্থন-ভিত্তিৰ প্ৰসাৰত ডাঙৰ বাধা হৈ থিয় দিব। অসমৰ মুঠ জনসমষ্টিৰ প্ৰায় এক-চতুৰ্থাংশ মুছলমান। তেওঁলোকৰো বেছিভাগেই পূৰ্ববংগীয় মূলৰ হোৱাৰ কাৰণে সততে তেওঁলোক ৰাজনৈতিক আক্ৰমণৰ লক্ষ্য হৈ থাকে। মুছলমানক বাদ দি অন্যান্য জনগোষ্ঠীবোৰৰো ঐতিহাসিক আৰু সাংস্কৃতিক পটভূমি এনেকুৱা যে ভাজপাৰ উগ্ৰ হিন্দুত্ববাদে তেওঁলোকক সহজে আকৰ্ষণ কৰিব নোৱাৰে। সাতে-সোতৰই মিলি অসমত ভাজপাই চিৰকাল সীমিত জন-সমৰ্থন লৈ সন্তুষ্ট হৈ থাকিব লাগিব; অৰ্থাৎ তেওঁলোকৰ প্ৰভাৱ কেইটামান বিশেষ সম্প্ৰদায় বা জনগোষ্ঠীৰ মাজতেই সীমাবদ্ধ হৈ থকাৰ সম্ভাৱনা বেছি।

ভাজপাৰ অসম শাখাৰ দ্বিতীয় ডাঙৰ দুৰ্বলতা এই যে সমগ্ৰ অসমবাসীক আকৃষ্ট আৰু আশ্বস্ত কৰিব পৰাকৈ তেওঁলোকৰ খুব বেছি যোগ্য নেতা নাই। এই কথাটো বহলাই ব্যাখ্যা কৰাৰ দৰকাৰ নাই। যি বুজিব লাগে সেই কথা বুজোতাই নিজে বুজিব।

ঘাইকৈ পূৰ্ববংগীয় মূলৰ মুছলমানৰ ৰাজনৈতিক দল এ আই ইউ ডি এফৰ সীমাবদ্ধতা ভাজপাতকৈ হাজাৰগুণে বেছি। সম্পূৰ্ণভাৱে পৰিয়াল-কেন্দ্ৰিক এই দলটোৰো ৰাজনৈতিক শ্লোগান মাত্ৰ এটা ঃ ২০১৬ চনত তেওঁলোকে অসমৰ শাসন-ক্ষমতা দখল কৰিব। সমগ্ৰ ৰাজ্যখনৰ উন্নতি সাধিব পৰাকৈ দলটোৰ কোনো ৰাজনৈতিক দৰ্শন আৰু অৰ্থনৈতিক কাৰ্যসূচীতো নায়েই; আনকি মুছলমানৰ বিশেষ সমস্যাবোৰ সমাধান কৰিবলৈকো দলটোৰ একো স্পষ্ট চিন্তা আৰু কাৰ্যসূচী নাই। পৰৱৰ্তী নিৰ্বাচনত দলটোৱে কেইখন আসন দখল কৰি এটা বিশেষ পৰিয়ালৰ সদস্যসকলক মন্ত্ৰীপদ দিব পাৰিব, কেৱল সেইটো হিচাপ-নিকাচ কৰি থকাৰ কামতে দলটোৰ নেতাসকল অহৰহ ব্যস্ত। ৰাজনৈতিক বিচাৰত অসমৰ কাৰণে এ আই ইউ ডি এফ এটা অপ্ৰাসংগিক দল, আৰু দলটোৰ ভৱিষ্যৎ অনিশ্চিত। তদুপৰি আগন্তুক নিৰ্বাচনবোৰত সঁচাকৈয়ে যদি এ আই ইউ ডি এফৰ সংখ্যাগত শক্তি বৃদ্ধি হয়, তেন্তে দলটোৰ অনুগামী মুছলমানসকল অদূৰ ভৱিষ্যতত বহুতো নতুন আৰু জটিল ৰাজনৈতিক প্ৰত্যাহ্বানৰ সন্মুখীন হ'ব লাগিব।

ৰাজ্যখনৰ বৃহৎ ৰাজনৈতিক দলকেইটাৰ ভিতৰত আলোচনাৰ কাৰণে বাকী থাকিল কেৱল অসম গণ পৰিষদ। আপাতদৃষ্টিত সম্প্ৰতি অগপ এটা ধ্বংসমুখী দুৰ্বল ৰাজনৈতিক দল। অসমৰ আটাইকেইটা প্ৰধান ৰাজনৈতিক দলৰ ভিতৰত ঠিক এই মুহূৰ্তত অগপৰ অৱস্থাই আটাইতকৈ বেয়া। কিন্তু দলটোৰ নেতা আৰু কৰ্মীসকলে যদি গভীৰ নিষ্ঠা আৰু আত্মবিশ্বাসেৰে, লগতে  ত্যাগ আৰু সেৱাৰ মনোভাবেৰে, দলটোক পুনৰ শক্তিশালী ৰূপত গঢ়ি তুলিবলৈ আগবাঢ়ি আহে, তেন্তে অগপৰ ভৱিষ্যতেই হ'ব পাৰে আটাইতকৈ উজ্জ্বল। মোৰ এই আশাবাদৰ প্ৰধান কাৰণকেইটা এটা এটাকৈ তলত উল্লেখ কৰিছোঁ।

সম্প্ৰতি ভাৰতৰ আটাইকেইখন প্ৰধান ৰাজ্যত আঞ্চলিকতাবাদী বা আঞ্চলিক দলৰ শাসন চলিছে। পশ্চিম বংগ, বিহাৰ, ওড়িশা, উত্তৰ প্ৰদেশ, পাঞ্জাব, অন্ধ্ৰ প্ৰদেশ, তেলেংগানা, তামিলনাডু, জম্মু আৰু কাশ্মীৰ... এই ৰাজ্যবোৰত আঞ্চলিক দলৰ শক্তিশালী স্থিতিয়ে এই কথাকেই প্ৰমাণ কৰিছে যে ভাৰতৰ দৰে বিচিত্ৰ জাতি-অধ্যুষিত বিশাল দেশখনৰ ফেডাৰেল তথা যুক্তৰাষ্ট্ৰবাদী চৰিত্ৰ অক্ষুণ্ণ ৰাখিবলৈ আৰু তাক অধিক শক্তিশালী কৰিবলৈ ৰাজ্যবোৰত আঞ্চলিক দলবোৰৰ প্ৰাধান্য থকাটো প্ৰয়োজনীয়। অসমত দুবাৰকৈ চৰকাৰ গঠন কৰা আঞ্চলিক দল অগপই অসমত সেই ভূমিকা ল'ব পাৰে। প্ৰায় ধ্বংসস্তূপত পৰিণত হৈয়ো বিধানসভাত নখন আসন দখল কৰিবলৈ সক্ষম হোৱা অগপৰ পুনৰুত্থানৰ সম্ভাৱনা এতিয়াও উজ্জ্বল হৈ আছে। এই টোকাটোৰ আৰম্ভণিতেই কোৱা হৈছিল যে অসমত এটা ৰাজনৈতিক শূন্যাৱস্থা বিৰাজ কৰিবলৈ আৰম্ভ কৰিছে। সেই খালী ঠাই পূৰণ কৰিবলৈ যিবোৰ সমল লাগে, সেই আটাইবোৰ সমল অগপৰ আছে।

আটাইতকৈ ডাঙৰ সমলটো হ'ল এই যে জাতি-বৰ্ণ-ভাষা-ধৰ্ম নিৰ্বিশেষে অসমৰ প্ৰত্যেকটো জনগোষ্ঠীৰ গ্ৰহণযোগ্য হ'ব পৰা একমাত্ৰ দলটো হ'ল অগপ। অগপৰ প্ৰধান আকৰ্ষণ হ'ল ইয়াৰ ধৰ্মনিৰপেক্ষ আৰু আধুনিকতাবাদী চৰিত্ৰ। এটা সময়ত অগপই মুছলমান, জনজাতি, চাহ জনগোষ্ঠী আৰু হিন্দীভাষী সম্প্ৰদায়বোৰৰো আনুগত্য অৰ্জন কৰিব পাৰিছিল। সেই আনুগত্য পুনৰ আদায় কৰিব পৰাকৈ তেওঁলোকে যদি নিজৰ দৃষ্টিভংগী আৰু অধিক উদাৰ কৰি তোলে, আৰু অসমীয়া জাতিক বৃহত্তৰ ৰূপত গঢ়ি তুলিব পৰাকৈ নতুন শ্লোগান সৃষ্টি কৰে, তেন্তে অগপই হ'ব পাৰে সমগ্ৰ অসমবাসীৰ প্ৰতিনিধিত্ব কৰিব পৰা একমাত্ৰ ৰাজনৈতিক দল।

তুলনামূলকভাৱে অসমৰ আন সকলো ৰাজনৈতিক দলতকৈ অগপত অভিজ্ঞ আৰু ব্যক্তিত্ব-সম্পন্ন নেতাৰ সংখ্যা বেছি। কিন্তু ধাৰাবাহিক নিৰ্বাচনী পৰাজয়ে তেওঁলোকৰ মনোবল হৰণ কৰি তেওঁলোকক হতোদ্যম আৰু অৱসাদ-গ্ৰস্ত কৰি তুলিছে। সামান্য চেষ্টা কৰিলেই তেওঁলোকে হেৰোৱা মনোবল ঘূৰাই পাব পাৰে। মৃতপ্ৰায় হৈ পৰা অগপ দলটোক পুনৰ প্ৰাণচঞ্চল আৰু শক্তিশালী ৰূপত গঢ়ি তুলিবলৈ লোৱা বজ্ৰ-কঠিন সংকল্পই অগপৰ নেতা আৰু কৰ্মীসকলক মৃতসঞ্জীৱনী সুধাৰ সন্ধান দিব পাৰে।

অগপৰ আৰু এটা গোপন শক্তিৰ উৎস আছে— যিটো হ'ল সমগ্ৰ ৰাজ্যখনত সিঁচৰতি হৈ থকা তৃণমূল পৰ্যায়ৰ কৰ্মী আৰু সমৰ্থকসকল। তেওঁলোকে নীৰৱে মনত বহন কৰি লৈ ফুৰিছে অসম আন্দোলনৰ উন্মাদনাময় দিনবোৰৰ স্মৃতি আৰু অগপই হেৰোৱা শক্তি ঘূৰাই পোৱাৰ স্বপ্ন। তেওঁলোকে অসীম ধৈৰ্যৰে অপেক্ষা কৰি আছে নতুন মন্ত্ৰৰে দীক্ষিত অগপৰ নেতাসকলৰ নতুন বাণীলৈ। কিন্তু অগপক নতুনকৈ গঢ়িবলৈ নেতাসকলৰ মনবোৰ হ'ব লাগিব ডাঙৰ। ক্ষুদ্ৰ মনৰ মানুহে ডাঙৰ দল গঢ়িব নোৱাৰে। এডমাণ্ড বাৰ্কে তাহানিতেই কৈ থৈ গৈছে— A great empire and little mind go ill together. বাৰ্কৰ উক্তিটোৰ সামান্য সলনি কৰি আমি ক'ব পাৰোঁ— A great political party and little mind go ill together.